بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৭ অক্টোবৰ ২০২২ চনত মছজিদ বায়তুল ইকৰাম U.S.A. Texas, Allen ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**নিজৰ পূৰ্ণ বিশ্বাসৰ সৈতে আল্লাহ তালাৰ আগত নতশিৰ হৈ তাৰ কৃপা ভিক্ষা কৰি আমি জগতবাসীৰ বাবে পথ-প্ৰদৰ্শনৰ কাম কৰিব লাগিব।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰাতুল আৰাফৰ ৩০-৩২ নং আয়াত তিলাওয়াত কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে মই পাঠ কৰা আয়াত বিলাকৰ অনুবাদ হ'ল এনেদৰে, তুমি কোৱা যে মোৰ সৃষ্টি কৰ্তায় ন্যায় প্ৰতিষ্ঠাৰ আদেশ দিছে; আৰু এয়া যে তোমালোকে প্ৰাৰ্থনাৰ ঠাইত (আৰু সময়ত) সঠিক ৰূপে (আল্লাহৰ ফালে) মন থিৰ কৰিবা আৰু তেওঁৰ ধৰ্মত থাকি তেওঁক একাগ্ৰচিত্তে আহ্বান কৰিবা। আদিতে তোমালোকক যেনেকৈ তেওঁ সৃষ্টি কৰিছিল, তেনেকৈ আকৌ (সেই অৱস্থালৈ) তোমালোক উভতি যাবা।

তেওঁ এটা দলক সুপথ প্ৰদৰ্শন কৰিছে আৰু আন এদলৰ পক্ষে বিপথে যোৱাটো স্থিৰ কৰিছে, বাস্তৱতে সিহঁতে আল্লাহক এৰি চয়তানবিলাকক বন্ধু হিচাপে গ্ৰহণ কৰিছে, অথচ সিহঁতে ধাৰণা কৰে যে সিহঁতেই সুপথগামী।

হে আদম সন্তান প্ৰত্যেক নমাজৰ ঠাইত (আৰু সময়ত) তোমালোকৰ সাজপাৰ সুশোভিত কৰি ল'বা আৰু আহাৰ কৰিবা আৰু পান কৰিবা (এনে কৰাত কোনো দোষ নাই) কিন্তু সীমা চেৰাই নাযাবা, সঁচাকৈয়ে তেওঁ সেই বিলাকক ভাল নাপায়, যিবিলাকে সীমা অতিক্ৰম কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি আপোনালোকে নিজৰ মছজিদ নিৰ্মাণ কৰাৰ সামৰ্থ্য লাভ কৰিছে, যদিও ইয়াৰ নিৰ্মাণ কাৰ্য্য কিছুদিন আগতে সম্পূৰ্ণ হৈছে, আজিহে ইয়াৰ আনুষ্ঠানিক ভাৱে উদ্ভোধনী কৰা হৈ আছে। যিসকলে এই মছজিদ নিৰ্মাণৰ কামত অংশ লৈছে, আল্লাহ তা'লা তেওঁলোকক এই মছজিদৰ হ'ক আদায় কৰাৰ তৌফিক দান কৰক। আল্লাহ কৰক এই মছজিদ যেন আপোনালোকে আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে নিৰ্মাণ কৰিছে। আল্লাহ তা'লাৰ সন্তুষ্টি মানুহে তেতিয়া অৰ্জন কৰিব পাৰে, যেতিয়া তাৰ আদেশ পালন কৰোঁতা হয়। তাৰ ইবাদত আৰু হকুকুল ইবাদ আদায় কৰোঁতা হয়। আমি সদায় মনত

ৰাখিব লাগিব যে হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াত গ্ৰহণে আমাৰ ওপৰত বৰ ডাঙৰ দায়িত্ব অৰ্পন কৰিছে। এই মছজিদক আবাদ ৰখা, পৰস্পৰে প্ৰেম ভালপোৱাৰে থাকা আৰু সহানুভূতি, ভ্ৰাতৃত্ববোধক প্ৰাধান্য দিয়া আমাৰ সকলোৰে কৰ্তব্য। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে য'ত ইছলামৰ সৈতে মানুহক পৰিচয় কৰোৱাৰ আৱশ্যক তাতে মছজিদ নিৰ্মাণ কৰিবা। গতিকে এই মছজিদৰ দ্বাৰা এই অঞ্চলত ইছলামৰ আনুষ্ঠানিক পৰিচয় হৈ যাব, তবলিগৰ বাট মুকলি হ'ব। কিন্তু প্ৰত্যেকজন আহমদীয়ে ইছলামী শিক্ষাৰ আদৰ্শত আদৰ্শবান হ'ব লাগিব।

এই আয়াত যি মই অলপতে তিলাওয়াত কৰিছোঁ, ইয়াতে আল্লাহ তা'লাই মছজিদৰ সৈতে সংশ্লিষ্ট থকা সকললৈ কিছুমান দায়িত্ব সম্পৰ্কে বৰ্ণনা কৰিছে। সৰ্বপ্ৰথমে কৈছে যে ন্যায় বিচাৰ প্ৰতিষ্ঠা কৰা। অৰ্থাৎ মছজিদলৈ অহা সকলক প্ৰথমে এয়া নচিহত কৰিছে যে হকুকুল ইবাদ আদায় কৰাৰ উপায় সৃষ্টি কৰা, আৰু তাতে সৰ্বপ্ৰথম ন্যায় বিচাৰৰ স্থান আছে। যদি কোনো ব্যক্তিয়ে নিজৰ পৰিয়াল বৰ্গৰ সৈতে সুন্দৰ আচৰণ নকৰে তেন্তে এনেকুৱা লোকৰ জমাতি কাম আৰু ইবাদত একো কাম নিদিয়ে। কোনোবায় এই কথাটো লৈ অহংকাৰ কৰা উচিত নহয় যে মই বহুত নামাজ পঢ়োতা আৰু জামাতি কাম কৰোঁতা হওঁ। আঁহজৰত (ছাঃ)য়ে কৈছে যে যিজনে বান্দাৰ হক আদায় নকৰে তেওঁ আল্লাহ তা'লাৰ হকও আদায় নকৰে।

আকৌ আল্লাহ তা'লা কৈছে যে যদি তোমালোকে আল্লাহৰ আদেশ পালন নকৰা যদি আল্লাহ তা'লাৰ নিমিত্তে ধৰ্ম পালন কৰি নিজৰ অৱস্থাৰ পৰিৱৰ্তন সাধন কৰিবলৈ চেষ্টা নকৰা, তেন্তে চয়তানে তোমালোকৰ ওপৰত জয়ী হ'ব। বৰ্তমান চলি থকা দুনিয়াদাৰীৰ পৰিৱেশত এই ফালে মনোযোগ দিয়াৰ অতি প্ৰয়োজন হৈ পৰিছে। মুছলমান সকলৰ তেতিয়াৰে পৰা পতন ঘটিবলৈ লৈছে যেতিয়াৰ পৰা ন্যায় বিচাৰ এৰি খোদা তা'লাৰ ইবাদত কেৱল প্ৰদৰ্শন স্বৰূপ বনাই লৈছে। মছজিদৰ বাহ্যিক সৌন্দৰ্যৰ ওপৰত জোৰ দিয়া হৈছে আৰু ইবাদতৰ গূঢ়াৰ্থ স্তব্ধ কৰি দিয়া হৈছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ভিতৰ চৰাত ইছলামৰ অৱস্থা বৰ দুৰ্বল হৈ পৰিছে আৰু বহিঃ আক্ৰমণে ইছলামক ধ্বংস কৰি পেলাব বিচাৰিছে। তেওঁলোকৰ মতে মুছলমান সকলে কুকুৰ গাহৰিতকৈ নিকৃষ্ট হৈ পৰিছে। গতিকে এতিয়া খোদা তা'লাৰ কিতাপ আৰু তাৰ সহায় আৰু জ্বলন্ত নিদৰ্শন বিহনে এওঁলোকৰ মোকাবিলা কৰাটো সম্ভৱ নহয় আৰু এই উদ্দেশ্যে আল্লাহ তা'লাই নিজ হাতেৰে এই ছিলছিলা জাৰি কৰিছে। সেয়ে আজি নিজৰ পূৰ্ণ বিশ্বাসৰ সৈতে আল্লাহ তা'লাৰ আগত নতশিৰ হৈ তাৰ কৃপা ভিক্ষা কৰি আমি জগতবাসীৰ বাবে পথ-প্ৰদৰ্শনৰ কাম কৰিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে একমাত্ৰ আমিয়েই আছো যিসকলে ইছলামৰ হেৰাই যোৱা ডাল, শাখাবোৰ আকৌ স্থাপন কৰিব লাগিব। আমি পূৰ্ণ বিশ্বাসেৰে সৈতে আল্লাহৰ আদেশ শিৰোধাৰ্য্য কৰি তাৰ আগত নতশিৰ হৈ জগতৰ বাবে পথ-প্ৰদৰ্শন কৰাৰ কাম কৰিব লাগিব, কাৰণ আমি হজৰত মছীহ মাওউদ (আঃ)ৰ মান্যকাৰী হওঁ, যাক জগতবাসীক প্ৰাণৱন্ত কৰিবলৈ আৰু আঁহজৰত (ছাঃ)ৰ শিক্ষা জগতত বিস্তাৰ কৰিবলৈ পঠোৱা হৈছে। এতিয়া এই শিক্ষাৰ ওপৰত আমল কৰিলেহে মুক্তি পোৱা সম্ভৱ। মানুহে আখেৰাতলৈ যদি খালি হাত লৈ যায় তেন্তে তাত আল্লাহ তা'লাৰ অসন্তুষ্টিৰ সন্মুখীন হ'ব লাগিব আৰু তেতিয়া আল্লাহ তা'লাই কেনে আচৰণ কৰিব সেয়া আল্লাহ তা'লাই ভালদৰে জানে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আমি মনত ৰাখিব লাগিব যে আমি যেতিয়া জগতখনক এইবোৰ কথাৰে সতৰ্ক কৰিম তেতিয়া আমাৰ কথা আৰু কাম এই শিক্ষা অনুযায়ী সম্পাদন হ'ব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে বৰ্তমানে ইছলাম যিটো বস্তুৰ নাম হয় তাত বহুতো পাৰ্থক্য আহি গৈছে। উত্তম চৰিত্ৰৰ অৱকাশ নোহোৱা হৈছে। খোদা তা'লাৰ সৈতে বিশ্বাস আৰু প্ৰেমৰ পতন ঘটিছে। এতিয়া খোদা তা'লাই সিদ্ধান্ত লৈছে যে সি ইছলামক প্ৰাণৱন্ত কৰিব। ইছলামৰ সেই অৱস্থাক চম্ভালি ল'বলৈ মোক খোদা তা'লাই তাৰ মহাপুৰুষ সকলৰ তালিকতা অন্তৰ্ভুক্ত কৰিছে। এতিয়া আমিয়ে আছো যিসকলে খোদা তা'লাৰ সৈতে বিশ্বাসৰ মানদণ্ড প্ৰতিষ্ঠিত কৰিব লাগিব। একাগ্ৰতা, আনুগত্যৰ সৈতে খোদা তা'লাৰ লগত বিশ্বাস অটুট ৰাখিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে খোদা তা'লাৰ ওপৰত সম্পূৰ্ণ ৰূপে ভৰসা কৰিব লাগিব যে তেওঁৱেই সকলো কামৰ গঢ়োতা। এতিয়া ইছলামেই জগতত জয়যুক্ত হোৱা ধৰ্ম। ইয়াৰ বাবে আমি নিজৰ সমস্ত শক্তি দক্ষতা কাৰ্যকৰী কৰিব লাগিব। হজৰত মছীহ মাওউদ (আঃ)ক যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে সেয়া পূৰ্ণ হ'বলৈ আছে। যদি আমি তাত সহায় কৰোঁতা হওঁ তেন্তে আল্লাহ তা'লাৰ কৃপা অৰ্জন কৰোঁতাও হ'ম। যদি আমি আগবাঢ়ি নাযাওঁ তেন্তে আল্লাহ তা'লা বেলেগ লোকক সহায় আগবঢ়াবলৈ পঠিয়াব, কাৰণ কাম এইটো যিকোনো প্ৰকাৰে সফল হ'ব। গতিকে আমি নিজৰ অৱস্থা আৰু দুৰ্বলতা শুধৰাই লোৱাৰ অতি প্ৰয়োজন আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই যুগত দাম্ভিকতা,আত্মম্ভৰিতা, কপটতা আদি দ্ৰুত গতিত বাঢ়ি গৈ আছে আৰু সুন্দৰ গুণাৱলী আচমানলৈ গুচি গৈছে। ভৰসা আৰু চেষ্টাৰ পতন ঘটিছে। কিন্তু এতিয়া আকৌ খোদা তা'লাৰ ইচ্ছা হৈছে যে এইবোৰ নতুনকৈ গজি উঠক। আল্লাহ তা'লাই নিজৰ ভৃত্যক কেতিয়াও নষ্ট হ'বলৈ নিদিয়ে। সি এতিয়া এয়া সিদ্ধান্ত লৈছে যে পুণ্য আগবাঢ়ি যাওঁক আৰু পঙ্কিলতাৰ অন্ত পৰক। গতিকে আমি লক্ষ্য কৰা উচিত যে আমি হজৰত মছীহ মাওউদ (আঃ)ৰ মিচন আগবঢ়াই নিবলৈ নেকি অৰ্জন কৰিবলৈ ইবাদতৰ মান উন্নত কৰিবলৈ আৰু আল্লাহ তা'লাৰ কৃপা লাভ কৰিবলৈ যথোপৰানাস্তি চেষ্টা কৰিছোনে নাই ? যদি আমি একাগ্ৰচিত্তে ইবাদতৰ সৈতে এনেকুৱা কৰা নাই তেন্তে এনেবোৰ সফলতা লাভৰ আশা কৰি একো লাভ নাই। গতিকে গভীৰ ভাৱে চিন্তা কৰা, ইস্তেগফাৰ কৰা আৰু নিজৰ আমল ধাৰাবাহিকতাৰে আল্লাহ তা'লাৰ কৃপা লাভ কৰিবলৈ কৰাৰ প্ৰয়োজন আছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আমলৰ বাবে একাগ্ৰতা বাঞ্চনীয় বা চৰ্ত। এয়া সেইবিলাক লোকৰ মাজতেই সৃষ্টি হয়, যিসকলে আউলিয়া হয়। গতিকে বৰকৈ মনত ৰাখিবা যে যিজন ব্যক্তি খোদা তা'লাৰ হৈ যায়, খোদা তাৰ হৈ যায়। গতিকে এই তত্ত্ব আপোন কৰি লোৱাৰ প্ৰয়োজন আছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ তা'লা বৰ দয়ালু যে আমাৰ ভুল হোৱা সত্ত্বেও আমাক দান কৰি থাকে। এয়া চিন্তা কৰক যে আমি কেনেকৈ খোদাৰ হ'ক আদায় কৰিব লাগিব আৰু আটাইতকৈ ডাঙৰ হ'ক তাৰ ইবাদতৰ হ'ক আদায় কৰা।

মছজিদ বনালে তাৰ হ'ক আদায় কৰিব লাগিব। একাগ্ৰচিত্তে মছজিদত ইবাদতৰ উদ্দেশ্যে আহিব লাগিব। স্থায়ী মনোযোগৰ নিজৰ নামাজৰ হিফাজত কৰিব লাগিব। এই বিলাক তেতিয়াহে সম্ভৱ হ'ব যেতিয়া আল্লাহ তা'লাৰ প্ৰেম স্থাপন হ'ব। এনেকুৱা প্ৰেম যে সেয়া আন কাৰো সৈতে যেন নাথাকে। এনেকুৱা প্ৰেমে হৃদয়ত এক জাগৰণৰ সৃষ্টি কৰে। যিসকলে অলপ সময় দোৱা কৰাৰ পিছতেই বাগৰি পৰে আৰু সিসকলে খোদা তা'লাৰ সৈতে সম্পৰ্ক গঢ়িব বিচাৰে, সেই সকলে এইবিলাক কথাৰ ওপৰত গুৰুত্ব দিব লাগিব। গতিকে কেৱল প্ৰয়োজনৰ সময়ত খোদা তা'লাৰ ওচৰত মাগিব যাব নালাগে বৰং খোদা

তা’লাৰ সৈতে নিজাববীয়াকৈ প্ৰেমৰ জন্ম দিব লাগিব তেহে আল্লাহ তা’লা এনে লোক সকলক মৰম কৰিব। এনেকুৰা কৃপা বৰ্ষিত হয় যে মানুহে সেয়া ধাৰণা কৰিব নোৱাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যিসকলে নিজৰ আচল আৰু প্ৰবৃত্তিক উদ্দেশ্য এৰি জন্তুৰ দৰে খাই বৈ শুই থকাটোক জীৱন বুলি ভাৱে তেওঁলোকে খোদা তা’লাৰ পৰা আঁতৰি পৰে। দায়িত্বশীল জীৱন হ’ল এয়া যিয়ে ইবাদতক নিজৰ জীৱনৰ উদ্দেশ্য বনাই লয়। মৃত্যুৰ কোনো ভৰসা নাই, কেতিয়া আহে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই কথাটো ভালদৰে হৃদয়ঙ্গম কৰি লোৱা যে খোদা তা’লাৰ ইবাদত কৰাই যেন তোমালোকৰ উদ্দেশ্য হয়। দুনিয়াদাৰী যেন তোমালোকৰ বাবে তৃপ্তিদায়ক উদ্দেশ্য নহয়। সন্নাস লোৱাটো ইছলামৰ ইচ্ছা নহয়। সকলো কাম কাজতেই খোদা তা’লাৰ সন্তুষ্টিৰ উদ্দেশ্য মিশ্ৰিত হ’ব লাগে। যদি আমি হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ দাবী কৰি জীৱনৰ উদ্দেশ্য পাহৰি যাওঁ তেন্তে আমাৰ বয়াত অসফল হ’ব আৰু আমাৰ কথা সাৰশূন্য হ’ব। গতিকে সকলো আহমদীয়েই চিন্তা কৰি চোৱা উচিত যে দিনটোত কিমান সময় আল্লাহ তা’লাৰ ইবাদতত লগাইছে আৰু নিজৰ জীৱনৰ উদ্দেশ্য পাহৰি নাযাব। যদি আমি এইবোৰ কথা পাহৰি  যাওঁ তেন্তে আমাৰ বয়াত অসফল হৈ যাব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমানৰ এই নতুন যুগত পাঁচ ওয়াক্ত নামাজ নপঢ়াৰ যি আপত্তি দৰ্শায় যে এয়া বেকাৰ সময় অপচয়। এই সময় অপচয়ে মানুহক আল্লাহ তা’লাৰ পৰা আঁতৰাই লৈ যায়। এনেদৰে মুছলমান আৰু আহমদী হোৱাৰ দাবী কেৱল মৌখিক দাবী হৈ থাকিব। কাৰ্য্যত একো নহ’ব। প্ৰকৃত মোমিনে দ্বীনক দুনিয়াৰ ওপৰত প্ৰাধান্য দিয়ে যাৰ ফলত আল্লাহ তা’লা তাৰ বাবে ৰিজিকৰ দুৱাৰ খুলি দিয়ে। যিজনে এনেকুৰা নকৰে তাৰ ওপৰত পাৰ্থিৱ লোভৰ জুই জ্বলি উঠে আৰু তাক জ্বলাই ছাই কৰি দিয়ে। আল্লাহৰ মছজিদ তেওঁৰেই আবাদ কৰে, যিয়ে আল্লাহ আৰু আখেৰাতৰ ওপৰত ঈমান স্থাপন কৰে আৰু এক নামাজৰ পিছত বেলেগ ওয়াক্তৰ নামাজৰ চিন্তাত অপেক্ষা কৰি থাকে। এয়াই হ’ল মছজিদ আবাদ ৰখাৰ পদ্ধতি আৰু নিজৰ আৰু নিজৰ সতি সন্তানক তৰবিয়ত দিয়াৰ উপায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই মছজিদৰ আৰম্ভণীৰ পৰা আৰু বাট মুকলি হ’ব, সেইবোৰৰ জৰিয়তে মছজিদ আবাদ ৰাখিবলৈ লোকক ইছলাম আহমদীয়তৰ পয়গাম দিব লাগিব। যেনেকৈ হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যতেই মছজিদ নিৰ্মাণ হৈছে তাতেই ইছলামৰ ভিত্তি স্থাপন হৈছে। গতিকে এতিয়া মছজিদ নিৰ্মাণ হৈছে সেয়ে ইয়াৰ আবাদিৰ ফালে মনোযোগ আকৰ্ষণ কৰিব লাগিব। মছজিদৰ আবাদি কেৱল লোকৰ উপস্থিতিত নহয় বৰং একাগ্ৰতা, বিশ্বাসেৰে নামাজ আদায় কৰাৰ পৰাহে হয়।

হুজুৰ আনোৱাৰ খোতবা জুমাৰ শেষত কৈছে যে এই মছজিদ নিৰ্মাণকাৰী সকলে ইয়াৰ প্ৰকৃতাৰ্থে আবাদকাৰী হওঁক আৰু তাৰ পৰা নিজৰ পাৰ্থিৱ আৰু আখিৰাতৰ জীৱন সাফল্যমণ্ডিত যেন হয়। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844